দৈনিক জনমভূমি
Tinsukia, Wednesday, February 22, 2023
৭

প্ৰান্তৰ
আজিৰ সংখ্যা 'দৈনিক জনমভূমি'ৰ সৈতে পৰিপূৰিকা 'প্ৰান্তৰ'ৰ অনলাইন সংস্কৰণ সংযোজিত হৈছে। পঢ়িবলৈ ক্লিক কৰক- dainikjanambhumi.co.in

# ডিব্ৰু মহাবিদ্যালয়ত শংকৰদেৱ বিষয়ক বৈঠক সম্পন্ন

ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'টাৰ আৰু লাহোৱালৰ নিজা সংবাদদাতা, ২১ ফেব্ৰুৱাৰী ঃ ডিব্ৰু মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিডাৰ্ছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত শংকৰদেৱ বৈঠকৰ উদ্বোধনী ভাষণ আগবঢ়ায় উপাধ্যক্ষ চন্দনা গগৈয়ে। আৰম্ভণিতে সংস্কৃত বিভাগৰ ছাত্ৰীসকলৰ দ্বাৰা ঘোষাপাঠেৰে আৰম্ভ হোৱা অনুষ্ঠানটো 'সৰ্বগুণাকৰ শংকৰদেৱ' বিষয়ত ভাষণ আগবঢ়ায় অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁয়ে। অনুষ্ঠানতে কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিছাৰ্চ জাৰ্নেল 'গ্ৰন্থকুটী' উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষই। ২০২১-২২ বৰ্ষৰ কলা শাখাৰ শ্ৰেষ্ঠ পঢ়ুৱৈ বঁটা লাভ কৰে জাহ্নৱী গগৈয়ে, বিজ্ঞান শাখাৰ ত্ৰিৱেণী সোণোৱালে, বাণিজ্য শাখাৰ সুমিৰ নমশুদ্ৰই। শ্ৰেষ্ঠ 'ইলেক্ট্ৰনিক ৰিছাৰ্চ পঢ়ুৱৈ বঁটা' লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° জোনালী দাস আৰু ছাত্ৰ প্ৰণৱজ্যোতি কুৰ্মিয়ে। ৰিডাৰ্ছক্লাবৰ আহ্বায়িকা তথা গ্ৰন্থাগাৰিক দীপিকা দাসে আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোৰ অাঁত ধৰে ৰিডাৰ্ছ ক্লাবৰ সম্পাদিকা তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মৌচুমী দত্তই।